# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-NOV-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines

-------------------

১।	মহিলাৰ সুৰক্ষা সুনিশ্চিতকৰণৰ পদক্ষেপ হিচাপে বিধানসভাত আজি বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত।

২।	ৰাজ্যৰ ৪০৬ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে বুলি শিক্ষামন্ত্ৰীৰ বিধানসভাত প্ৰকাশ।

৩।	কাছাৰৰ পাঁচগ্ৰামত মিথানল উৎপাদনক্ষম বাঁহ উদ্যোগ স্থাপনৰ সিদ্ধান্ত।

৪।	পুৰণি পেন্সন আঁচনি প্ৰৱৰ্তনৰ দাবীৰে আজি ৰাজ্যৰ বিভিন্ন ঠাইত চৰকাৰী কৰ্মচাৰীসকলৰ দিনজোৰা কৰ্মবিৰতি কাৰ্যসূচী।	*আৰু*

৫।	গোৱাত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আজি দুখন গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ সম্পন্ন। কাইলৈ মহোৎসৱৰ সামৰণি।

ooooo

বৈবাহিক সম্পৰ্কৰ বিশ্বাসযোগ্যতা বৰ্তাই ৰখাৰ লগতে মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ঐতিহাসিক পদক্ষেপ হিচাপে বিধানসভাই আজি বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত কৰে। শীতকালীন অধিবেশনৰ প্ৰথম দিনা উত্থাপন কৰা এই বিধেয়কৰ জৰিয়তে আইনীভাৱে প্ৰথম বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰা কাৰ্যক অপৰাধৰ শ্ৰেণীভুক্ত কৰিব খোজা হৈছে। বিধেয়কখনত পূৰ্বৰ বিবাহৰ কথা গোপনে ৰাখি দ্বিতীয় বিবাহ কৰা ব্যক্তিক ১০ বছৰ আৰু প্ৰথম বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰা ব্যক্তিক ৭ বছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা কৰা হৈছে। বিধেয়কখনৰ অধীনত বাৰে বাৰে এনে অপৰাধ কৰাসকলক দুগুণ শাস্তি বিহাৰ ব্যৱস্থা আছে। বহুবিবাহত লিপ্ত হোৱা পুৰোহিত, মৌলানা, যাজক আদিক ডেৰ লাখ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব আৰু কৰ্তৃপক্ষৰ পৰা ইচ্ছাকৃতভাৱে তথ্য লুকোৱা বা পলমকৈ তথ্য প্ৰদান কৰা লোকসকলক দুবছৰ কাৰাদণ্ড আৰু এক লাখ টকাৰ জৰিমনা বিহা হ'ব। অৱশ্যে বিধেয়কখন ৰাজ্যৰ ষষ্ঠ অনুসূচীৰ অধীনৰ এলেকা আৰু জনজাতীয় লোকসকলৰ মাজত প্ৰযোজ্য নহ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটো ঐতিহাসিক বুলি উল্লেখ কৰি কয়, যে এই বিধেয়কখন আইনত পৰিণত হ'লে অসম চৰকাৰ ধৰ্ম নিৰ্বিশেষে ৰাজ্যৰ সকলো শ্ৰেণীৰ মহিলাৰ প্ৰতি সম দৃষ্টিভংগী সম্পন্ন আৰু ন্যায় বিচাৰৰ বাবে আগ্ৰহী হোৱাটোকে প্ৰতিপন্ন কৰিব বুলি মন্তব্য কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীয়ে লগতে তেওঁৰ চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে ৰাজ্যত ৰাজ্যত উমৈহতীয়া দেৱানী বিধি বলৱৎ হ'ব বুলি ঘোষণা কৰে। মহিলাৰ বিবাহৰ ন্যূনতম বয়স ২১লৈ বৃদ্ধি কৰিব বুলিও তেওঁ মন্তব্য কৰে।

বিধেয়কখন সন্দৰ্ভত হোৱা আলোচনাত মুঠ ৩১ জন বিধায়কে অংশগ্ৰহণ কৰে। কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি আই এম আৰু ৰাইজৰ দলে বিধেয়কখনত ভালেমান সংশোধনৰ আৰু বাছনি সমিতিলৈ প্ৰেৰণ কৰিবলৈ দাবী জনায়। বিভিন্ন বিষয়ত মুখ্যমন্ত্ৰীৰ আশ্বাসৰ পাছত কংগ্ৰেছ আৰু ৰাইজৰ দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ

কৰে। অৱশ্যে এ আই ইউ ডি এফ আৰু চি পি আই এম দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰে। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ পাছত বিধেয়কখন আইনত পৰিণত হ'ব।

আজিৰ বিধানসভাত আনকেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। মন্ত্ৰী অজন্তা নেওগে ২০২৫-২৬ বৰ্ষৰ অসম বিনিয়োজন বিধেয়ক উত্থাপন কৰে। তদুপৰি বিদ্যালয় শিক্ষা বিভাগৰ লগত সম্পৰ্কিত ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰি সন্দৰ্ভতো আলোচনা আৰু ভোটদান হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীৰ (সংশোধনী) বিধেয়ক ২০২৫ আৰু অসম অগ্নি আৰু জৰুৰীকালীন সেৱা বিধেয়ক ২০২৫ৰ বিবেচনাৰ বাবে প্ৰস্তাৱ দিয়ে। মন্ত্ৰী কেশৱ মহন্তই অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক ২০২৫ বিবেচনাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়।

০০০০০

ৰাজ্যৰ ৪০৬ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে আৰু বৰ্তমান এনে বিদ্যালয়সমূহত মুঠ ২৩ হাজাৰ ১৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। বিধানসভাত আজি বিধায়ক তেৰছ গোৱালাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই তথ্য প্ৰকাশ কৰে। ডাঃ পেগুৱে লগতে কয়, যে বৰ্তমান ৰাজ্যৰ চাহ বাগিচাসমূহত ১১৮ খন আদৰ্শ বিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু প্ৰতিখন আদৰ্শ বিদ্যালয়তে পাঠদান ইতিমধ্যে আৰম্ভ হৈছে। ইয়াৰে ৮৭ খন বিদ্যালয়ত ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ আৰু ৩১ খন বিদ্যালয়ত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীলৈ পাঠদান কৰা হৈছে বুলি শিক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ডাঃ পেগুৱে অনুমতিপ্ৰাপ্ত বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰাদেশিকীকৰণ সন্দৰ্ভত আন এটা প্ৰশ্নৰ উত্তৰত কয়, যে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত অসম চৰকাৰৰ অনুমতিপ্ৰাপ্ত মুঠ ৪০২ খন অপ্ৰাদেশিকীকৃত মাধ্যমিক বিদ্যালয়ক প্ৰাদেশিকীকৰণ আইন ২০১৭ আৰু সংশোধনী আইন ২০১৮ৰ প্ৰয়োজনীয় অৰ্হতা নোহোৱাৰ বাবে এই বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণৰ আওঁতাৰ বাহিৰত ৰখা হৈছে। আনহাতে উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত সকলো মহবিদ্যালয়কে প্ৰাদেশিকীকৰণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ইপিনে, উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই দ্বিতীয় এডভাণ্টেজ আছামত দেশী-বিদেশী বিনিয়োগকাৰীৰ সৈতে হোৱা চুক্তি সন্দৰ্ভত এটা প্ৰশ্নৰ লিখিত উত্তৰত কয়, যে এই শীৰ্ষ সন্মিলনত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ সৈতে ২৯৭ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল আৰু ইতিমধ্যে ইয়াৰে ৭০ খন বুজাবুজিৰ চুক্তি কাৰ্য্যকৰী হৈছে।

০০০০০

চৰকাৰী কৰ্মচাৰীৰ বাবে ২০০৫ চনৰ ফেব্ৰুৱাৰীৰ পৰা প্ৰৱৰ্তন কৰা নতুন পেঞ্চন আঁচনি বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তনৰ দাবীৰে আজি ৰাজ্যৰ বিভিন্ন ঠাইত চৰকাৰী কৰ্মচাৰীসকলে দিনজোৰা কৰ্মবিৰতি কাৰ্যসূচী পালন কৰে। গুৱাহাটীৰ খানাপাৰাৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কৰ্মচাৰীসকলে সকলো চৰকাৰী কৰ্মচাৰীকে পুৰণি পেঞ্চন ব্যৱস্থাৰ আওঁতালৈ অনাৰ দাবীৰে বিভিন্ন শ্ল'গানেৰে অসম পশুধন উন্নয়ন অভিকৰণৰ কাৰ্যালয় চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদী সভাত সদৌ অসম ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা কৰ্মচাৰী সংস্থাৰ সাংগঠনিক সম্পাদক, কামৰূপ মহানগৰ জিলা সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

ধেমাজি জিলাতো পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ বাহাল কৰাৰ দাবীৰে চৰকাৰী কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰে। ইয়াৰ ফলত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সকলো কাম-কাজ সম্পূৰ্ণৰূপে বন্ধ থাকে।

বাক্সা জিলাৰ শালবাৰীত মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখত বিভিন্ন শ্ল'গানেৰে কৰ্মচাৰীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

শিৱসাগৰ জিলাতো কৰ্মবিৰতিৰ ফলত জিলা আয়ুক্তৰ কাৰ্যালয়কে ধৰি বহুকেইটা চৰকাৰী কাৰ্যালয়ৰ স্বাভাৱিক কাম-কাজ ব্যাহত হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

রাজ্যৰ বিভিন্ন ঠাইত আজি বাল্যবিবাহ মুক্ত ভাৰত কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত এই উপলক্ষে উলিওৱা সমদলত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

পশ্চিম কাৰ্বি আংলঙৰ জিলা সদৰ হামৰেণত জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাই বাল্যবিবাহ প্ৰতিৰোধ কাৰ্যসূচী মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী, বিষয়া, মহিলা সংগঠন আৰু স্বেচ্ছাসেৱী সংগঠনৰ নেতাসকলে অংশগ্ৰহণ কৰে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ উদ্যোগত সমাজৰ পৰা বাল্যবিবাহ নোহোৱা কৰাৰ লক্ষ্যৰে এশদিনীয়া বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

০০০০০

ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ প্ৰক্ৰিয়াৰ কাম অব্যাহত আছে। বুথ পৰ্যায়ৰ বিষয়াসকলে ইতিমধ্যে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিছে। ২০ ডিচেম্বৰলৈকে ভোটাৰৰ তথ্য সংগ্ৰহ কৰা হ'ব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব।

চৰাইদেউ জিলাৰ সোণাৰী আৰু মাহমৰা বিধানসভা সমষ্টিত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া সুচাৰুৰূপে চলাই নিয়াৰ বাবে জিলা প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বুথ পৰ্যায়ৰ বিষয়াসকলে ভোটাৰ তালিকাৰ আঁসোৱাহ দূৰীকৰণৰ বাবে ভোটদাতাৰ নাম, ঠিকনাকে ধৰি অন্যান্য তথ্যসমূহ তন্ন-তন্নকৈ পৰীক্ষা কৰিছে। জিলাখনত ২৭ ডিচেম্বৰত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হ'ব। এই সন্দৰ্ভত চৰাইদেউ জিলা নিৰ্বাচনী বিষয়া বৰ্ণালী খাটিৱাৰাই আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়।

**ৰাইট (বৰ্ণালী খাটিৱাৰা)**

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে বিধায়ক আমিনুল ইছলামৰ বিৰুদ্ধে আৰোপ কৰা ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ গোচৰ খাৰিজ কৰিছে। উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে আজি পুৱা এই সন্দৰ্ভত ৰায়দান কৰি বিধায়কগৰাকীৰ বিৰুদ্ধে ৰুজু কৰা ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ গোচৰ খাৰিজ কৰে। উল্লেখযোগ্য যে, পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাক লৈ দেশ বিৰোধী মন্তব্য আগবঢ়োৱাৰ অভিযোগত বিধায়কগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল।

০০০০০

গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI-ৰ কাইলৈ সামৰণি পৰিব। মহোৎসৱৰ কলা একাডেমী প্ৰেক্ষাগৃহত আজি দুখন গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ অনুষ্ঠিত হয়। ইয়াৰে এখনত সৰ্বকালৰ জনপ্ৰিয় হিন্দী চলচ্চিত্ৰ 'শ্বোলেৰ নিৰ্মাণৰ ৫০বছৰ সম্পূৰ্ণ হোৱা বিষয়ক লৈ ছবিখনৰ পৰিচালক ৰমেশ চিপ্পিয়ে অংশগ্ৰহণ কৰে। সদ্যপ্ৰয়াত যশস্বী অভিনেতা তথা শ্বোলে চলচ্চিত্ৰৰ বীৰু চৰিত্ৰত অভিনয় কৰা ধৰ্মেন্দ্ৰৰ প্ৰতি অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি জ্ঞাপন  কৰা হয়। উত্তৰ পূৰ্বাঞ্চলৰ চলচ্চিত্ৰ সন্দৰ্ভত আজি আন এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰত অঞ্চলটোৰ কেইবাগৰাকীও চলচ্চিত্ৰ নিৰ্মাতাই অংশ লয়। চলচ্চিত্ৰ নিৰ্মাণৰ খ্যাতিসম্পন্ন সংস্থাৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত উত্তৰ পূৰ্বাঞ্চলৰ নতুন প্ৰজন্মৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে কিদৰে ছবি নিৰ্মাণৰ ক্ষেত্ৰত সম্পৰীক্ষা কৰিছে এই বিষয়ে আলোচনা কৰা হয়।

এইবাৰৰ মহোৎসৱত ৮৪ খন দেশৰ ২৭০ খনৰো অধিক চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। মহোৎসৱৰ কেন্দ্ৰীয় ৰাষ্ট্ৰ জাপানৰ ৭ খন ছবি আৰু সহযোগী ৰাষ্ট্ৰ স্পেইনৰ ৪খন ছবি এইবাৰ প্ৰদৰ্শন কৰা হৈছে। যোৱা ২০ নৱেম্বৰত এই মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছিল।

০০০০০

আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে আজি কৃত্ৰিম বুদ্ধিমত্তা, এ আইৰ জৰিয়তে ভিডিঅ' প্ৰস্তুত কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক জনমানসত হেয় প্ৰতিপন্ন কৰা গোচৰত তিনিজন কংগ্ৰেছ কৰ্মীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা

কংগ্ৰেছ কৰ্মীকেইজনক মাজুলীৰ জিলা কংগ্ৰেছৰ সামাজিক মাধ্যম আৰু তথ্যপ্ৰযুক্তি শাখাৰ অধ্যক্ষ জিবেশ্বৰ গাম, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ উপেন ৰাজ নাথ আৰু নগাঁও জিলাৰ জুৰিয়াৰ ছাহিদুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। দুষ্টচক্ৰই এ আইৰ জৰিয়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাঙুৰি অমিতাভ বচ্চনে পৰিচালনা কৰা কৌন বনেগা কড়ৌৰপতি নামৰ অনুষ্ঠানৰ ভুৱা ভিডিঅ' প্ৰস্তুত কৰি অপপ্ৰচাৰ চলোৱাৰ অভিযোগত অপৰাধ অনুসন্ধান বিভাগৰ চাইবাৰ থানাত ৰুজু কৰা গোচৰৰ সংক্ৰান্তত এই লোককেইজনক গ্ৰেপ্তাৰ কৰা হয়। অপৰাধ অনুসন্ধান বিভাগে ঘটনা সংক্ৰান্তত চাবুৱাৰ প্ৰাক্তন বিধায়ক ৰাজু চাহুকো সোধা-পোছা কৰি আছে।

ooooo

ৰাষ্ট্ৰীয় গতি শক্তি প্ৰকল্পৰ অধীনত উত্তৰ পূব সীমান্ত ৰে'লৱেই অসমত নিৰ্মাণ কৰি থকা ছটা নতুন গতি শক্তি কাৰ্গো টাৰ্মিনেলৰ ভিতৰত বাইহাটাত নিৰ্মীয়মান টাৰ্মিনেলটো শীঘ্ৰেই সম্পূৰ্ণ হৈ উঠিব। উত্তৰ পূব সীমান্ত ৰে'লৱেই প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰে যে বাইহাটাত নিৰ্মীয়মান এই প্ৰকল্পটোৰ বাবে ২৪৫ কোটি টকা ব্যয় কৰা হৈছে। এই টাৰ্মিনেলটোৱে উত্তৰ পূৰ্বাঞ্চলত বয়বস্তু সৰবৰাহ ব্যৱস্থা শক্তিশালী আৰু দ্ৰুত কৰাৰ লগতে ব্যয় হ্ৰাস কৰাত সহায় কৰিব। টাৰ্মিনেলটোৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে আৰু সুৰক্ষাৰ বাবে প্ৰয়োজনীয় অনুমোদন প্ৰক্ৰিয়া চলি আছে। উল্লেখযোগ্য যে ২০২২ চনত গতি শক্তি টাৰ্মিনেল প্ৰকল্প আৰম্ভ কৰা হৈছিল।

ooooo

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সৰ্বভাৰতীয় কুঁহিয়াৰ গৱেষণা প্ৰকল্পৰ বাৰ্ষিক কৰ্মশালা অনুষ্ঠিত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কুঁহিয়াৰ, ঔষধী আৰু সুগন্ধী উদ্ভিদ গৱেষণা কেন্দ্ৰৰ তত্বাৱধানত আয়োজিত এই কৰ্মশালাত দেশৰ বিভিন্ন প্ৰান্তৰ দুই শতাধিক কৃষি বিজ্ঞানী আৰু প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। আজিৰ কাৰ্যসূচীত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ উপ-সঞ্চালকপ্ৰধান ড০ ডি কে যাদৱে মুখ্য অতিথি হিচাপে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। ড০ যাদৱে ক্ষেত্ৰ বিশেষে কৃষকৰ অসুবিধাসমূহৰ প্ৰতি লক্ষ্য সঠিক পৰিকল্পনা আৰু কৌশলগত পদ্ধতি প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ সৰ্বভাৰতীয় কুঁহিয়াৰ প্ৰকল্পৰ সমন্বয়ক ড০ দিনেশ সিঙে নতুন কৃষি প্ৰযুক্তিৰ ব্যৱহাৰেৰে কুঁহিয়াৰ খেতিৰ উৎপাদন বৃদ্ধিৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

ooooo

মিষ্টাৰ ইণ্ডিয়াৰ খিতাপ বিজয়ী প্ৰথমগৰাকী অসমীয়া তথা মিষ্টাৰ এছিয়াত তৃতীয় স্থান অধিকাৰ হৰকান্ত বৰগোঁহাইৰ আজি পুৱা গুৱাহাটীৰ পাঞ্জাবাৰীৰ বাসগৃত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ। ১৯৪৮ চনত শিৱসাগৰত জন্মগ্ৰহণ কৰা বৰগোঁহায়ে বায়ুসেনাত চাকৰি কৰিছিল আৰু অৱসৰৰ পাছত গুৱাহাটীৰ ভাৰতীয় খেল প্ৰাধিকৰণ কেন্দ্ৰত সহকাৰী সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অসম শৰীৰ চৰ্চা সংস্থাই বৰগোঁহাইৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত